**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-08-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

———————————————

গোলাঘাট জিলাৰ অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটত প্ৰথম পৰ্যায়ৰ উচ্ছেদ অভিযান সুকলমে সম্পন্ন হয়। প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ লক্ষ্যৰে চলোৱা এই অভিযানত ৪ হাজাৰ টা সাধাৰণ বাসগৃহ, ৪০০ দুমহলীয়া অট্টালিকা উচ্ছেদ কৰা হয়। তদুপৰি এই অভিযানত বিভিন্ন অপৰাধত জড়িত থকাৰ অভিযোগত কেইবাগজনো অভিযুক্তক গ্ৰেপ্তাৰ কৰা হয় বুলি কালি প্ৰথম পৰ্যায়ৰ উচ্চেদ অভিযানৰ সামৰণিত বন বিভাগ আৰু প্ৰশাসনে এখন সংবাদমেলত প্ৰকাশ কৰে। বন বিভাগৰ হৈ প্ৰধান মুখ্য বন সংৰক্ষক এম কে যাদৱে কয়, যে আজিৰে পৰা দক্ষিণ নামবৰ বনাঞ্চলৰ গেলাজান আৰু ৰজা পুখুৰীত উচ্ছেদ চলোৱা হ'ব। তেওঁ কয়, যে বন বিভাগে উচ্ছেদিত অঞ্চলটোত বন সংৰক্ষণ আৰু পৰ্যটনস্থলী হিচাপে গঢ় দিয়াৰ বাবে চৰকাৰক পৰিকল্পনা দাখিল কৰিছে। কালি পঞ্চম দিনা অঞ্চলটোৰ বিদ্যাপুৰ, দলনিপথাৰ, মধুপুৰ আৰু খেৰবাৰী গাওঁৰ দখলিকৃত ভূমি উচ্ছেদ কৰা হয়। শ্ৰীযাদৱে সংবাদমেলত প্ৰকাশ কৰা মতে, মেৰাপানীৰ দৈয়াং সংৰক্ষিত বনাঞ্চলৰ নেঘেৰী বিলত অহা ৮ আগষ্টত উচ্ছেদ অভিযান চলোৱা হ'ব। তেওঁ কয় যে অঞ্চলটোত অবৈধভাৱে বসবাস কৰি থকা প্ৰায় ২০৫টা পৰিয়ালক অঞ্চলটো খালী কৰাৰ বাবে জাৰি কৰা জাননীৰ ম্যাদ শুকুৰবাৰে উকলি যায়। ইয়াৰ পৰিপ্ৰেক্ষিতত অহা ৬ আগষ্টৰ পৰা উচ্ছেদ অভিযানৰ ব্যৱস্থাসমূহ গ্ৰহণ কৰা হ'ব আৰু ৮ আগষ্টৰ পুৱা উচ্ছেদ চলোৱা হ'ব বুলি তেওঁ কয়।

০০০০০০

ৰাজ্য চৰকাৰে চাহ শ্ৰমিকক বোনাচ আদায় দিয়াক লৈ কঠোৰ নিৰ্দেশনা জাৰি কৰিছে। শ্ৰমিক কল্যাণ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্যসচিব জে বি এক্কাই কালি প্ৰতিখন জিলা আয়ুক্তলৈ জাৰি কৰা নিৰ্দেশনাত সমাগত দুৰ্গা পূজাৰ প্ৰতি লক্ষ্য ৰাখি ১০ ছেপ্তেম্বৰৰ পূৰ্বে চাহ শ্ৰমিকক বোনাচ আদায় দিয়াটো সম্পূৰ্ণ কৰিবলৈ কোৱা হৈছে। ইয়াৰ উপৰি কিমান পৰিমাণৰ বা কি হাৰত বোনাচ আদায় দিয়া হ'ব এই সন্দৰ্ভত ৩১ আগষ্টৰ ভিতৰত ঘোষণাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ কোৱা হৈছে। বিত্তীয় বৰ্ষ সমাপ্তিৰ ৮ মাহৰ ভিতৰত শ্ৰমিকক আইনগত বোনাচ আদায় দিব লাগে আৰু ৰাজ্যত দুৰ্গা পূজাৰ আগতে বোনাচ আদায় দিয়াটো প্ৰচলিত পৰম্পৰা। এইবেলি ছেপ্তেম্বৰৰ শেষৰ পিনে দুৰ্গা পূজা আৰম্ভ হ'ব। এনে প্ৰেক্ষাপটত চাহ বাগিচা কৰ্তৃপক্ষক বাৰ্ষিক বেলেঞ্চ চীট আৰু আইন অনুসৰি বোনাচৰ পৰিমাণ চূড়ান্ত কৰিবলৈ আহ্বান জনোৱা হৈছে। চাব বাগিচা কৰ্তৃপক্ষই যাতে নীতি নিয়ম আৰু যাৱতীয় ব্যৱস্থা অনুসৰণ কৰে আৰু শ্ৰমিকসকলে সময়মতে চলিত বৰ্ষৰ বোনাচ লাভ কৰে তাৰবাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা আয়ুক্তসকলক নিৰ্দেশ দিয়া হৈছে।

০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড়ৰ দুগৰাকী বিশিষ্ট ব্যক্তি অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, ড০ নগেন শইকীয়া আৰু জনপ্ৰিয় সংগীত শিল্পী চৈয়দ চাদুল্লাক সাক্ষাৎ কৰে আৰু স্বাস্থ্যৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে প্ৰথমে শিক্ষাবিদ, সাহিত্যিক, চিন্তাবিদ ড০ নগেন শইকীয়াৰ ডিব্ৰুগড়ৰ বাসগৃহত উপস্থিত হৈ সাহিত্যিকগৰাকীৰ সৈতে বিভিন্ন বিষয়ত বাৰ্তালাপ কৰে আৰু পৰামৰ্শ গ্ৰহণ কৰে। তেওঁ লগতে ড০ নগেন শইকীয়াৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে। পাছত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে যশস্বী সংগীতশিল্পী তথা আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ এসময়ৰ ঘোষক চৈয়দ চাদুল্লাৰ স্বাস্থ্যৰ লোৱাৰ বাবে তেওঁৰ নিজা বাসগৃহত উপস্থিত হয়। শ্ৰীসোণোৱালে কিছুদিন পূৰ্বে চিকিৎসাধীন চাদুল্লাৰ আশু আৰোগ্য কামনা কৰে আৰু তেওঁৰ সৈতে গীতে-মাতে কিছু সুন্দৰ মুহূৰ্ত অতিবাহিত কৰে।

০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় ছাত্ৰ-ছাত্ৰীসকলৰ স্নাতক সমাৰোহ কালি অনুষ্ঠিত হয়। এই বছৰ মুঠ ৮ গৰাকী আন্তঃৰষ্ট্ৰীয় ছাত্ৰ-ছাত্ৰীয়ে ডিগ্ৰী লাভ কৰে। ইয়াৰ ভিতৰত এগৰাকী পি এইচ ডি, ৩ গৰাকীয়ে স্নাতকোত্তৰ আৰু ৪ গৰাকীয়ে স্নাতক ডিগ্ৰী লাভ কৰিছে। কালি এই ডিগ্ৰীৰ প্ৰমাণ-পত্ৰ প্ৰদান অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক ড° জিতেন হাজৰিকা, পঞ্জীয়ক ড° পৰমানন্দ সোণোৱাল, পৰীক্ষা নিয়ন্ত্ৰক ড° প্ৰশান্ত কাকতিৰ লগতে বিশ্ববিদ্যালয়খনৰ ভালে সংখ্যাক বিষয়ববীয়া উপস্থিত থাকে। অনুষ্ঠানত দিয়া ভাষণত উপাচাৰ্যগৰাকীয়ে ডিগ্ৰী লাভ কৰাৰ লগতে অসমৰ ভাষা-সংস্কৃতি তথা আচাৰ-ব্যৱহাৰৰ কিছু সমলো শিক্ষাৰ্থীসকলক লৈ যাবলৈ আহ্বান জনায়।

০০০০০০

সন্দেহজনক তথা বাংলাদেশী নাগৰিক বিতাড়নৰ দাবীত কালি সন্ধিয়া শিৱসাগৰত কেইবাটাও জাতীয় দল-সংগঠনে জোৰ সমদল উলিয়ায়। শিৱসাগৰ নগৰৰ ষ্টেচন চাৰিআলিত অৱস্থিত টাই সাংস্কৃতিক বিকাশ কেন্দ্ৰৰ পৰি উলিওৱা এই সমদলৰ জৰিয়তে দল-সংগঠনসমূহে অসমৰ অন্যান্য প্ৰান্তত চলি থকা উচ্ছেদ অভিযান উজনি অসমতো চলোৱাৰ বাবে চৰকাৰক দাবী জনায়। এই সমদল কাৰ্যসূচীত জাতীয় সংগ্ৰামী সেনা অসম, আহোম জাতীয় গণমঞ্চ, আটাছু, সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ, টাই আহোম যুৱ পৰিষদ, অনুসূচীত জাতি ছাত্ৰ সন্থা, জাতীয় সংগ্ৰামী মহিলা পৰিষদ আদিৰ নেতা-কৰ্মীসকলে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে ৰাজ্যৰ ভিন্ন প্ৰান্তত চৰকাৰী ভূমি দখল কৰা সন্দেহজনক লোকৰ বিৰুদ্ধে চৰকাৰে চলোৱা উচ্ছেদক সমৰ্থন কৰি এই সংগঠনকেইটাই আজিৰে পৰা শিৱসাগৰত অভিযান চলাব বুলি আমাৰ শিৱসাগৰৰ সংবাদদাতাক জানিবলৈ দিয়ে।

০০০০০০

মাজুলী টাউন ক্লাবৰ উদ্যোগত আজিৰে পৰা আন্তঃমাজুলী প্ৰাইজমানি পাঞ্জা প্ৰতিযোগিতা আৰম্ভ হ'ব। উজনি মাজুলীৰ ফুলনি হাইস্কুল খেলপথাৰত হ'বলগীয়া এই প্ৰতিযোগিতাৰ জৰিয়তে গ্ৰামাঞ্চলৰ ক্ৰীড়া প্ৰতিভা উৎসাহিত কৰাৰ লক্ষ্য লোৱা হৈছে। এই প্ৰতিযোগিতাত মাজুলী জিলাৰ কেইবাগৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিব বুলি আমাৰ মাজুলীৰ সংবাদদাতাই জনাইছে।

০০০০০০

সমাপ্ত